# মুখ্য মন্ত্ৰীৰ স্বনিয়োজন যোজনাত গাঁৱৰ ভিতৰুৱা পিছপৰা অঞ্চলক বিশেষ ভাবে সামৰি লোৱাত মুখ্য মন্ত্ৰীৰ গুৰুত্ব

## ২০০ টা গোটলৈ ঋণৰ ড্ৰাফট, গাড়ী-ট্ৰেক্টৰ বিতৰণ

**দিছপুৰ,৭ নবেম্বৰঃ** মুখ্য মন্ত্ৰী তৰুণ গগৈয়ে আজি গুৱাহাটীৰ কাহিকুছিৰ অসম গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ চৌহদ (এছ আই আৰ দি)ত আয়োজিত এক অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে এছ আই আৰ দিৰ জৰিয়তে আগবঢ়োৱা 'মুখ্য মন্ত্ৰীৰ জীৱনজ্যোতি স্ব-নিয়োজন যোজনা'ৰ অধীনত ৰাজ্যৰ ৬ খন জিলাৰ ২০০ টা যুটীয়া দায়বদ্ধ গোটলৈ ৬ দঃ ৫২ কোটি টকাৰ ঋণৰ ড্ৰাফট, গাড়ী-ট্ৰেক্টৰ আৰু কাৰিকৰী সাহায্য প্ৰদান কৰে। ইয়াৰে ৯৫ টা গোটক ৪ কোটি টকাৰ কৃষি বিপণন (মাৰ্কেটিং)ৰ বাবে গ্ৰাম্য পৰিবহন গাড়ী আৰু কৃষি কৰ্মৰ উদ্দেশ্যে ট্ৰেক্টৰ প্ৰদান কৰা হয়। আনহাতে ১০৫ টা গোটলৈ ২ দঃ ৫২ কোটি টকাৰ বেংক ঋণৰ ডিমাণ্ড ড্ৰাফট আগবঢ়োৱা হয়। এনে ঋণ ভিডিঅ' এডিটিং চেন্টাৰ, কম্পিউটাৰ চেন্টাৰ, অ'টমোবাইল ট্ৰেইনিং চেন্টাৰ, অলংকাৰৰ দোকান আদি খোলাৰ বাবে আগবঢ়োৱা হৈছে। তদুপৰি নিৰ্বাচিত গোটলৈ হাঁহ-মুৰ্গীৰ পাখী গুছোৱা মেচিন, পনীৰ প্ৰস্তুতকৰণ যন্ত্ৰ, মটৰযুক্ত চিলাই মেচিন, কাঠৰ আচবাব বনোৱাৰ উন্নত প্ৰযুক্তিৰ যন্ত্ৰ আদিও আগবঢ়োৱা হয়।

এই উপলক্ষে দিয়া ভাষণত মুখ্য মন্ত্ৰীয়ে ৰাজ্যখনত মুখ্য মন্ত্ৰীৰ স্ব-নিয়োজনৰ আচনিখনে যথেষ্ট সফলতা লাভ কৰিছে বুলি কয়। মুখ্য মন্ত্ৰীয়ে এই আচনিখন ৰাজ্যৰ একেবাৰে ভিতৰুৱা গাঁও আৰু পিছপৰা অঞ্চললৈ লৈ যোৱাৰ লগতে তেনেবোৰ অঞ্চলত প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু এই দিশত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিভাগক কয়। নিবনুৱা সকলৰ সংস্থাপন তথা সকলোৰে উপাৰ্জন বৃদ্ধি কৰাই হ'ল চৰকাৰৰ প্ৰধান লক্ষ্য বুলি মন্তব্য কৰি তেওঁ কয় যে আমি অসমক ভাৰতৰ অন্যতম আগশাৰীৰ ৰাজ্য হোৱাতো বিচাৰিছো আৰু ইয়াৰ বাবে সকলোৰে উপাৰ্জন বাঢ়িব লাগিব। অসমৰ ২ লাখ আত্মসহায়ক গোটৰ ভিতৰত অধিকাংশই মহিলা গোট হোৱাতো ৰাজ্যখনৰ বাবে এক শুভলক্ষণ বুলি তেওঁ কয়। আমি যুগৰ সৈতে খোজ মিলাই যাবলৈ হলে সকলো ক্ষেত্ৰতে নতুন নতুন টেক্‌নলজি গ্ৰহণ কৰিব লাগিব বুলি মন্তব্য কৰি তেওঁ কয় যে আমি প্ৰতি জিলা-মহকুমা আৰু উন্নয়ন খণ্ড সমূহতো পৰ্যায়-অনুসৰি বিভিন্ন বৃত্তিৰ প্ৰশিক্ষণ তথা দক্ষতা বৃদ্ধিৰ কেন্দ্ৰ খুলিব বিচাৰিছো। ৰাজ্যত ইতিমধ্যে নিফট্ আৰু ডিজাইন ইনষ্টিটিউট স্থাপন হ'ব বুলি উল্লেখ কৰি তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে আৰু দুটা ট্ৰেইনিং চেন্টাৰ দিয়াৰ বাবে অনুমোদন জনাইছে। তেওঁ কয় যে মুখ্য মন্ত্ৰীৰ স্ব-নিয়োজন যোজনাৰ অধীনত যোৱা

বছৰ ১০ হেজাৰ জন উপকৃত হৈছে আৰু অহা বছৰ এই সংখ্যা ১৫ হেজাৰলৈ বৃদ্ধি কৰিব বিচাৰিছো। ইয়াৰ আগতে মুখ্য মন্ত্ৰীয়ে এছ আই আৰ ডিৰ হস্ততাঁতৰ গ্ৰ'থ চেন্টাৰত আধুনিক প্ৰযুক্তি সম্পন্ন বয়ন-চিলাই আৰু ডিজাইন পদ্ধতি পৰিদৰ্শন কৰে। মুখ্য মন্ত্ৰীয়ে বিভিন্ন গোটলৈ প্ৰদান কৰা গাড়ী-ট্ৰেক্টৰ সমূহৰ গন্তব্য স্থানলৈ যাত্ৰা ফ্লেগ জোকাৰি শুভাৰম্ভ কৰে।

অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী চন্দন ব্ৰহ্মই কয় যে মুখ্য মন্ত্ৰীৰ জীৱনজ্যোতি স্ব-নিয়োজন যোজনাৰ অধীনত আজি ৬ খন জিলাৰ বিভিন্ন গোটলৈ সাহায্য বিতৰণ কৰা হৈছে আৰু পৰৱৰ্তী পৰ্যায়ত যোৰহাট আৰু চিৰাং জিলাত এই যোজনাৰ সাহায্য প্ৰদান কৰা হ'ব। তেওঁ লগতে কয় যে যোৱা বছৰ এই আচনিৰ জৰিয়তে ১০ হেজাৰ জনলৈ সাহায্য আগবঢ়োৱা হৈছে আৰু এই বছৰ অতিৰিক্ত ১০ হেজাৰ জনক এই যোজনাৰ সাহায্য আগবঢ়োৱা হ'ব। এতিয়ালৈকে এই যোজনাৰ অধীনত ১৫ হেজাৰ যুৱকক বিভিন্ন বেংকৰ জৰিয়তে ১০০০ কোটি টকাৰ ঋণ দিয়াৰ কথা তেওঁ সদৰি কৰে। ৰাজ্যখনত বেংক ঋণ প্ৰদান আৰু ঋণ পৰিশোধ অতি সন্তোষজনক বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয় যে ৰাজ্যৰ বাহিৰৰ প্ৰতিষ্ঠান আৰু এক্সপাৰ্টৰ সহযোগত বিভিন্ন স্ব-নিয়োজন আচনিৰ টেকনলজিৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা লোৱা হৈছে। তদুপৰি আচনি সমূহ ৰূপায়ণ কাৰ্যৰ তদাৰকৰ ব্যৱস্থাও কৰা হৈছে বুলি তেওঁ কয়। এই যোজনাৰ দৰিদ্ৰ সীমা ৰেখাৰ তলৰ আৰু ওপৰৰ সকলোকে সামৰি লোৱা হৈছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয় যে ৰাজ্যখনত এছ আই আৰ ডিৰ ২ টা কেম্পাছ, ১২ টা সম্প্ৰসাৰণ কেন্দ্ৰ, ৯ টা কম্পিউটাৰ চেন্টাৰ, ১ টা ছেটেলাইট চেন্টাৰ, ৩ টা ৰিজ'নেল চেন্টাৰ আছে। তেওঁ কয় যে শিলচৰ, নগাঁৱৰ আমনি আৰু চিৰঙাতো এনে ৰিজ'নেল চেন্টাৰ স্থাপনৰ বাবে কেন্দ্ৰৰ অনুমোদন পোৱা হৈছে।

অনুষ্ঠানত ডিব্ৰুগড়ৰ মৰাণৰ এগৰাকী হিতাধিকাৰী সূৰ্য বৰগোঁহাইয়ে এই আচনিৰ জৰিয়তে লাভ কৰা সফলতাৰ কথা উল্লেখ কৰে। তেওঁ কয় আলফাৰ পৰা মূল সুঁতিলৈ ঘূৰি অহাৰ পিছত মই হতাশাত ভুগিছিলো আৰু এছ আই আৰ ডি বিষয়াৰ অনুপ্ৰেৰণাত এই আচনিৰ জৰিয়তে কাঠৰ আচবাব বনোৱাৰ দোকান খুলি লাভবান হৈছো। মুখ্য মন্ত্ৰীয়ে তেওঁক কাঠৰ ফাৰ্নিচাৰ বনোৱাৰ এটা মেচিন প্ৰদান কৰে।

অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ প্ৰধান সচিব অৰুণ কুমাৰে আচনিখনৰ ৰূপায়ণৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰি বক্তব্য ৰাখে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আয়ুক্ত সুমিত ঝা, এন আই আৰ দিৰ বিষয়া শ্ৰীমতী জৈন, এছ আই আৰ ডি আৰু বিভিন্ন বেংকৰ বিষয়া সকল উপস্থিত থাকে।

ইঃহুঃহা/৭-১১-০৯